# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI

0000000000

**Date :** 07-04-2025

**Time :** 19-10 Hrs

***Assamese Evening Bulletin***

***Headlines***

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি লীজবনত পৰ্টুগালৰ ৰাষ্ট্ৰপতি মাৰ্ছেলো ৰেবেলো দি চৌজাৰ সৈতে এখন প্ৰতিনিধি পৰ্যায়ৰ বৈঠকত মিলিত হয়।

২। কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে কৈছে যে দেশৰ সীমান্ত সমূহ সুৰক্ষিত কৰাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে এটা বৈদ্যুতিন নিৰীক্ষণ ব্যৱস্থা মোতায়েন কৰিছে।

৩। আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পৰ প্ৰতি - শুল্ক আৰোপৰ সিদ্ধান্ত আৰু এই ৰাষ্ট্ৰসমূহে বৃহৎ পৰিমাণৰ শুল্ক ভৰিব লাগিব বুলি ট্ৰাম্পে আজি কৰা ঘোষণাৰ ফলত বিশ্বজুৰি ষ্টক বজাৰসমূহৰ সূচাংক অভাৱনীয়ভাৱে তললৈ নামে। *আৰু*

৪। মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি মুম্বাই ইণ্ডিয়ানছ-ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি লীজবনত পৰ্টুগালৰ ৰাষ্ট্ৰপতি মাৰ্ছেলো ৰেবেলো দি চৌজাৰ সৈতে এখন প্ৰতিনিধি পৰ্যায়ৰ বৈঠকত মিলিত হয়। বৈঠকৰ পাছত যুটীয়াভাৱে আয়োজন কৰা সংবাদ মেলত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে ভাৰত-পৰ্টুগালৰ বান্ধোনক ঐতিহাসিক ৰূপে অভিহিত কৰি ইয়াক আধুনিক আৰু বহুমাত্ৰিক অংশীদাৰিত্বৰূপে আগুৱাই নিয়াৰ হকে পোষকতা কৰে। আজিৰ বৈঠকত পৰ্টুগালৰ ৰাষ্ট্ৰপতিগৰাকীৰ সৈতে দুয়ো দেশৰ মাজত দ্বিপাক্ষিক সম্পৰ্কৰ বহুকেইটা দিশ সামৰি হোৱা আলোচনা ইতিবাচক বুলি শ্ৰীমতী মুৰ্মুৱে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে।

ইয়াৰ পূৰ্বে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু তেওঁৰ পৰ্টুগাল আৰু শ্ল'ভাকিয়া ভ্ৰমণৰ প্ৰথম পৰ্যায়ত আজি পুৱা লিছবনত উপস্থিত হয়। শ্ৰীমতী মুৰ্মুৱে পৰ্টুগালৰ প্ৰধানমন্ত্ৰী লুইচ মণ্টেনিগ্ৰো আৰু নেচনেল এছেম্বলিৰ অধ্যক্ষ জোছ পেড্ৰ' অগুইৰ ব্ৰেংকোক সাক্ষাৎ কৰিব। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৰ সন্মানাৰ্থে লিছবনৰ মেয়ৰগৰাকীয়ে আজি এটা বিশেষ অনুষ্ঠানৰো আয়োজন কৰিছে। পৰ্টুগালত ৰাষ্ট্ৰপতিগৰাকীয়ে ভাৰতীয় সম্প্ৰদায়ৰ সদস্যসকলক সাক্ষাৎ কৰাৰ লগতে বিভিন্ন বিশ্ববিদ্যালয় আৰু শৈক্ষিক প্ৰতিষ্ঠানৰ একাংশ ভাৰতীয় গৱেষকৰ সৈতেও মত বিনিময় কৰাৰ সম্ভাৱনা আছে।

এই ভ্ৰমণৰ পৰৱৰ্তী পৰ্যায়ত ৰাষ্ট্ৰপতিগৰাকী শ্লোভাকিয়ালৈ ৰাওনা হ'ব। অহা ৯ আৰু ১০ এপ্ৰিলত শ্লোভাকিয়াৰ দুদিনীয়া ভ্ৰমণসূচীত শ্ৰীমতী মুৰ্মুয়ে দেশখনৰ ৰাষ্ট্ৰপতি পিটাৰ পেলেগ্ৰিণি আৰু প্ৰধানমন্ত্ৰী ৰবাৰ্ট ফিকোৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ শ্লোভাকিয়া ভ্ৰমণে ভাৰত আৰু শ্লোভাকিয়াৰ মাজত দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰাৰ লগতে সম্প্ৰসাৰিত কৰিব। পৰ্টুগাল আৰু শ্লোভাকিয়া ভ্ৰমণৰ জৰিয়তে ইউৰোপীয় সংঘৰ সৈতে ভাৰতৰ সম্পৰ্ক শক্তিশালী হ'ব বুলিও আশা কৰা হৈছে।

ooooo

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে কৈছে যে দেশৰ সীমান্ত সমূহ সুৰক্ষিত কৰাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে এটা বৈদ্যুতিন নিৰীক্ষণ ব্যৱস্থা মোতায়েন কৰিছে। জম্মু আৰু কাশ্মীৰলৈ অনুপ্ৰৱেশৰ বাবে সন্ত্ৰাসবাদীয়ে আন্তৰাষ্ট্ৰীয় সীমান্তত স্থাপন কৰা সুৰঙ্গসমূহ বিচাৰি উলিয়াই সেইসমূহ ধবংস কৰিবলৈ সেই নিৰীক্ষণ ব্যৱস্থাত ব্যৱহাৰ হোৱা প্ৰযুক্তিৰ সহায় লোৱা হব বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তিনিদিনীয়া ভ্ৰমণসূচীৰে জম্মু-কাশ্মীৰলৈ যোৱা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি কথোৱা জিলাৰ ভাৰত - পাকিস্তান সীমান্তৰ সীমান্ত সুৰক্ষা বাহিনীৰ এটা অগ্ৰৱৰ্তী চকী পৰিদৰ্শন কৰি এই কথা প্ৰকাশ কৰে।

বিগত কেইবাদিনো ধৰি এই অঞ্চলটোত পাকিস্তানী সন্ত্ৰাসবাদীৰ বিৰুদ্ধে ব্যাপক অভিযান অব্যাহত আছে। আকাশবাণীৰ জম্মুৰ সংবাদদাতাই জানিবলৈ দিয়া অনুসৰি গৃহমন্ত্ৰীগৰাকীয়ে বৰ্তমানৰ নিৰাপত্তা পৰিস্থিতিৰ বুজ লোৱাৰ বাবে কথোৱা জিলাৰ হীৰানগৰ খণ্ডত বিনয় নামৰ বি এছ্ এফৰ পহৰা চকী পৰিদৰ্শন কৰে। শ্ৰীশ্বাহে প্ৰত্যাহ্বানমূলক পৰিস্থিতিতো অক্লান্তভাৱে সেৱা আগবঢ়াই থকা সীমান্ত সুৰক্ষা বাহিনীৰ সদস্যসকলক ভূয়সী প্ৰশংসা কৰে।

আজিৰ পৰিদৰ্শনকালত বি এছ্ এফৰ সঞ্চালক প্ৰধান দলজিত সিং চৌধুৰী, জম্মু কাশ্মীৰ আৰক্ষীৰ সঞ্চালক প্ৰধান নলীন প্ৰভাত আৰু আন কেইবাগৰাকীও জ্যেষ্ঠ বিষয়া উপস্থিত থাকে। উল্লেখযোগ্য যে ২৩ মাৰ্চৰ পৰা এই অঞ্চলটোৰ অৰণ্যত ৫ জনীয়া এটা সন্ত্ৰাসবাদী গোট, আন্তৰাষ্ট্ৰীয় সীমান্তইদি ভাৰতত প্ৰৱেশ কৰা বুলি আৰক্ষী আৰু আন সুৰক্ষা বাহিনীয়ে ধৰা পেলাইছিল। সন্ত্ৰাসবাদীকেইটাক প্ৰতিহত কৰাৰ বাবে যোৱা ২৭ মাৰ্চত আৰক্ষীয়ে অভিযান চলোৱাৰ সময়ত দুয়োপক্ষৰ মাজত হোৱা গুলিয়াগুলিত ৪ গৰাকী আৰক্ষী আৰু ২টা সন্ত্ৰাসবাদী নিহত হৈছিল। ভ্ৰমণকালত শ্ৰীশ্বাহে সন্ত্ৰাসবাদীৰ গুলিত নিহত হোৱা জম্মু-কাশ্মীৰ আৰক্ষীৰ লোকৰ পৰিয়ালক সাক্ষাৎ কৰাৰ লগতে তেওঁলোকৰ পৰিয়ালৰ নিৰ্বাচিত সদস্যক অনুকম্পামূলক নিযুক্তি পত্ৰ প্ৰদান কৰিব। বিগত মাহৰ অক্টোবৰ মাহত নেচনেল কনফাৰেন্সে চৰকাৰ গঠন কৰাৰ পাছত শ্ৰীশ্বাহে প্ৰথমবাৰ জম্মু-কাশ্মীৰলৈ গৈছে। শ্ৰীশ্বাহে কাইলৈ শ্ৰীনগৰৰ ৰাজভৱনত বিভিন্ন উন্নয়নমূলক কাম-কাজৰ অগ্ৰগতি সন্দৰ্ভত এখন বৈঠকত মিলিত হ'ব। ইয়াৰ পাছত তেওঁ ৰাজভৱনত জম্মু কাশ্মীৰৰ নিৰাপত্তা পৰিস্থিতিৰ পৰ্যালোচনাৰ বাবে আন এখন বৈঠকত অংশগ্ৰহণ কৰিব। গৃহমন্ত্ৰীগৰাকীয়ে কালি সন্ধিয়া জম্মুত উপস্থিত হৈ ত্ৰিকুটা নগৰত থকা বিজেপিৰ মুখ্য কাৰ্যালয়ত বিজেপিৰ বিধায়ক, জ্যেষ্ঠ নেতা আৰু আন কাৰ্যকৰ্তাসকলৰ সৈতে এখন বৈঠকত মিলিত হয়।

ooooo

সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰৰ উপ প্ৰধানমন্ত্ৰী, প্ৰতিৰক্ষা মন্ত্ৰী আৰু ডুবাইৰ যুৱৰাজ শ্বেইখ হামদান বিন মহম্মদ আল মাকট'মে কাইলৈৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে ভাৰত ভ্ৰমণ কৰিব। ডুবাইৰ যুৱৰাজ হিচাপে এয়া হ'ব তেওঁৰ প্ৰথম আনুষ্ঠানিক ভাৰত ভ্ৰমণ। তেওঁৰ সৈতে কেইবাগৰাকী মন্ত্ৰী, জ্যেষ্ঠ চৰকাৰী বিষয়া আৰু উচ্চ পৰ্যায়ৰ এটা ব্যৱসায়ীক প্ৰতিনিধিৰ দল ভাৰতলৈ আহিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিজ্ঞপ্তিত জানিবলৈ দিছে যে,

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ সন্মানাৰ্থে দুপৰীয়াৰ আহাৰৰ আয়োজন কৰিছে। ভ্ৰমণকালত তেওঁ বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড০ এছ জয়শংকৰ আৰু প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙক সাক্ষাৎ কৰিব। সন্ধিয়াৰ ভাগত তেওঁ মুম্বাইলৈ ৰাওনা হ'ব আৰু তাত তেওঁ  দুয়োখন দেশৰ প্ৰখ্যাত ব্যৱসায়ী সকলৰ সৈতে এখন ঘুৰণীয়া মেজমেলত অংশগ্ৰহণ কৰিব। এই বাৰ্তালাপে সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰ আৰু ভাৰতৰ অৰ্থনৈতিক আৰু ব্যৱসায়ীক সহযোগিতা সুদৃঢ় কৰিব। আমাৰ সংবাদদাতাই জানিবলৈ দিয়া অনুসৰি ভাৰত আৰু দেশখনৰ মাজত ব্যৱসায়ীক, সাংস্কৃতিক আৰু জনসাধাৰণৰ সৈতে জনসাধাৰণৰ সম্পৰ্কৰ ক্ষেত্ৰত এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। ভাৰতৰ প্ৰায় ৪৩ লাখ লোক ৰাষ্ট্ৰখনত বসবাস কৰাৰ লগতে আৰু বিভিন্ন কৰ্মত জড়িত হৈ আছে। যুৱৰাজগৰাকীৰ এই ভ্ৰমণে দেশ দুখনৰ মাজত উমৈহতীয়া কৌশলগত অংশীদাৰিত্ব আৰু ডুবাইৰ সৈতে বহুপাক্ষিক সম্বন্ধ সুদৃঢ় কৰিব।

ooooo

আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পৰ  প্ৰতি - শুল্ক আৰোপৰ সিদ্ধান্ত আৰু এই ৰাষ্ট্ৰসমূহে বৃহৎ পৰিমাণৰ শুল্ক ভৰিব লাগিব বুলি ট্ৰাম্পে আজি কৰা ঘোষণাৰ ফলত বিশ্বজুৰি ষ্টক বজাৰসমূহৰ সূচাংক অভাৱনীয়ভাৱে তললৈ নামে। ইউৰোপ আৰু এছিয়াৰ ষ্টক বজাৰৰ এই মন্দাৱস্থাৰ প্ৰভাৱ ভাৰতীয় বজাৰতো বাৰুকৈ পৰে। বম্বে ষ্টক এক্সচেঞ্জৰ সংবেদী সূচাংক এটা সময়ত ৪ হাজাৰ পইণ্ট নিম্নগামী হয় আৰু ষ্টক বজাৰ বন্ধ হোৱাৰ সময়ত এই সূচাংক দুহেজাৰ ২২৭ পইণ্ট নিম্নগামী হৈ থাকে। ৰাষ্ট্ৰীয় ষ্টক এক্সচেঞ্জৰ নিফটীও ৫০ পইণ্ট নিম্নগামী হয়। দেশৰ বৃহৎ কোম্পানীসমূহৰ ভিতৰত টাটা ষ্টীলৰ ষ্টক মূল্য ৭ দশমিক ৭ শতাংশ, লাৰ্ছন এণ্ড টুৱব'ৰ ষ্টক মূল্য ৫ দশমিক ৭ শতাংশ আৰু টাটা মটৰ্ছৰ ষ্টক মূল্য ৫ দশমিক ৫ শতাংশ হ্ৰাস পায়। আন্তৰ্জাতিক বজাৰত আজি খাৰুৱা তেলৰ মূল্য তিনি শতাংশ হ্ৰাস পাই আৰু ২০২১ চনৰ পাছত এয়ে হৈছে আন্তৰ্জাতিক বজাৰত খাৰুৱা তেলৰ সৰ্বনিম্ন মূল্য।

ooooo

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কাইলৈৰ পৰা ১৩ এপ্ৰিললৈকে ব্ৰিটেইন আৰু অষ্ট্ৰিয়া ভ্ৰমণ কৰিব। ভ্ৰমণকালত বিত্তমন্ত্ৰীগৰাকীয়ে দুয়োখন দেশৰ মন্ত্ৰী পৰ্যায়ৰ দ্বিপাক্ষিক বৈঠকত অংশগ্ৰহণ কৰিব। বিত্ত মন্ত্ৰালয়ৰ সূত্ৰ অনুসৰি শ্ৰীমতী সীতাৰমনে ত্ৰয়োদশ ভাৰত- ব্ৰিটেইন মন্ত্ৰী পৰ্যায়ৰ অৰ্থনৈতিক আৰু বিত্তীয় আলোচনাত অংশগ্ৰহণ কৰিব। মন্ত্ৰীগৰাকীয়ে লগতে দুয়োখন দেশৰ বুদ্ধিজীৱি, বিনিয়োগকাৰী আৰু ব্যৱসায়ীক নেতাসকলৰ সৈতে আলোচনাত মিলিত হ'ব।

ooooo

মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ে কাইলৈৰ পৰা **পোষণ পখেক**ৰ সপ্তম সংস্কৰণ ৰূপায়ণ কৰিব। দেশৰ পৰা পৰিপুষ্টিজনিত সমস্যা দূৰ কৰি সুস্থ ভাৰত গঢ়াৰ লক্ষ্যৰে এই কাৰ্যসূচী অনুষ্ঠিত হয়। এই কাৰ্যসূচীৰ অংশ হিচাপে এইবাৰ চাৰিটা বিষয়ৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। এই অনুসৰি শিশুৰ জন্মৰ পৰা প্ৰথম এহেজাৰ দিনৰ পৰিপুষ্টি নিশ্চিত কৰা, হিতাধিকাৰী সকলৰ মাজত পৰিপুষ্টি নিৰ্ণয়ৰ বাবে পৰ্যালোচনা কৰা, স্বাস্থ্য সন্মত জীৱনশৈলী গঢ়ি তুলি শিশুৰ মেদবহুলতা নিয়ন্ত্ৰণ কৰা আৰু সামগ্ৰিকভাৱে স্বাস্থ্য আৰু পৰিপুষ্টি নিশ্চিত কৰাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। উল্লেখযোগ্য যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আৰম্ভ কৰা এই ধ্বজাবাহী কাৰ্যসূচীয়ে লাভ কৰা সফলতাৰ ফলত দেশৰ শিশু আৰু সন্তান সম্ভৱাসকলৰ মাজত পুষ্টিহীনতা সমস্যা হ্ৰাস পাইছে। কাইলৈ এই কাৰ্যসূচীৰ শুভাৰম্ভ উপলক্ষে মহিলা আৰু শিশু বিকাশ মন্ত্ৰী সাবিত্ৰী ঠাকুৰে বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত

অঞ্চলৰ অংগনবাড়ী কৰ্মী, ১৮টা সহযোগী মন্ত্ৰ্যালয় তথা মহিলা আৰু শিশু বিকাশ বিভাগৰ বিষয়াসকলক ডিজিটেল ব্যৱস্থাৰে সম্বোধন কৰিব।

00000

মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি মুম্বাই ইণ্ডিয়ানছ-ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাৰ পৰা আৰম্ভ হ'ব।

টছত জয়লাভ কৰি মুম্বাই ইণ্ডিয়ানছে প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লৈছে।

00000

ফ্ৰান্সত অনুষ্ঠিত মণ্টে-কাৰ্ল' মাষ্টাৰ্ছ টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ দ্বৈত শাখাত ভাৰতৰ ৰোহণ বোপান্নাই আমেৰিকা যুক্তৰাষ্ট্ৰৰ বেন শ্বেল্টটনৰ সৈতে প্ৰি কোৱাৰ্টাৰ ফাইনেলত স্থান লাভ কৰিছে। তেওঁলোকৰ যুটিটোৱে কালি অনুষ্ঠিত প্ৰথম ৰাউণ্ডৰ খেলত আৰ্জেণ্টিনাৰ ফ্ৰাঞ্চিস্ক' ছেৰুণ্ড'ল' আৰু চিলিৰ এলেজাণ্ড্ৰ' টেবিল'ক ৬-৩, ৭-৫ ৰ ব্যৱধানত পৰাস্ত কৰে। ভাৰতৰ ৪৫ বছৰ বয়সীয়া খেলুৱৈ বোপন্না আৰু আমেৰিকাৰ ২২ বছৰীয়া শ্বেল্টটন কাইলৈ হ'বলগীয়া প্ৰি-কোৱাৰ্টাৰ ফাইনেলত ইটালীৰ যুটি ছিমন বলেলী আৰু এণ্ড্ৰিয়া ৱাৱছ'ৰীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

প্ৰতিযোগিতাৰ প্ৰথম ৰাউণ্ডৰ এখন খেলত আজি ভাৰতৰ ডাবল্‌ছ শাখাৰ প্ৰথম স্থানৰ খেলুৱৈ য়ুকি ভাম্ব্ৰী আৰু তেওঁৰ অষ্ট্ৰেলিয়াৰ সহযোগী এলেক্সি পপীৰিন-জাৰ্মেনীৰ জান লেনাৰ্ড ষ্ট্ৰাফ আৰু অষ্ট্ৰেলিয়াৰ এলেক্স ডে মিন'ৰৰ হাতত ৭-৫, ৫-৭, ৫-১০ ফলাফলত পৰাস্ত হয়।

00000

**ঃঃ সমাপ্ত ঃঃ**